অসম বিধান সভা

তৰা চিহ্নিত প্ৰশ্ন নং- ২২

উত্তৰ দিয়াৰ তাৰিখ- ১৩/০৭/২০২১

বিষয় ঃ জবকাৰ্ড।

বিধায়ক ঃ শ্ৰীৰেকিবুদ্দিন আহমেদঃ

প্ৰশ্ন

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কিমান জবকাৰ্ডধাৰী লোক আছে?

(খ) এই জবকাৰ্ড সমূহৰ বিপৰীতে জবকাৰ্ড থকা লোক সকলে মজুৰি লাভ কৰিছে নেকি?

(গ) জবকাৰ্ড থকা লোকৰ কাৰ্ড সমূহ সংগ্ৰহ কৰি এচাম ব্যক্তিয়ে ঠিকা কৰি থকা বিষয়টো চৰকাৰৰ জ্ঞাতনে?

(ঘ) যদি জ্ঞাত, ইয়াৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে জনাবনে?

উত্তৰ

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী **শ্ৰীযুত ৰণজিৎ কুমাৰ দাস** দেৱে উত্তৰ দিবঃ

(ক) ২০২১-২২ বিত্তীয় বৰ্ষত এই পৰ্যন্ত অসমত মুঠ ৫৩,৯৪,৯৪০ (তেৰন্ন লাখ চৌৰানব্বৈ হাজাৰ নশ চল্লিশ) জব কাৰ্ড ধাৰী লোক আছে।

(খ) MGNREGA আঁচনিৰ অধীনত যেতিয়া কোনো লোকে কামৰ বাবে আবেদন কৰে তেতিয়া ১৫ দিনৰ ভিতৰত জব কাৰ্ড ধাৰী সকলক কাম প্ৰদান কৰা হয় আৰু সেই কামৰ বিনিময়ত জব কাৰ্ড ধাৰী শ্ৰমিকসকলে তেওঁলোকৰ মজুৰি Fund Transfer Order (FTO) মাধ্যমেৰে Direct Benefit Transfer (DBT) জৰিয়তে ভাৰত চৰকাৰৰ পৰা নিজা বেংক একাউণ্টত পোনপটীয়াকৈ লাভ কৰে।

(গ) চৰকাৰ এই সম্পৰ্কে জ্ঞাত নহয়।

(ঘ) জবকাৰ্ড থকা লোকৰ কাৰ্ডসমূহ সংগ্ৰহ কৰি কোনো ব্যক্তিয়ে ঠিকা কৰা বিষয়টো চৰকাৰৰ দৃষ্টিগোচৰ হ'লে তাৰ বাবে চৰকাৰে উচিত ব্যৱস্থা হাতত ল'ব।

—— x ——